# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 15**-08-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰই আজি ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা এই উদযাপনৰ গুৰি ধৰিব।

২। দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিয়ে।

৩। উদ্যোগসমূহৰ প্ৰয়োজনীয়তা আৰু প্ৰাৰ্থীৰ দক্ষতাৰ মাজত থকা ব্যৱধান দূৰ কৰাত সহায়ক হোৱাকৈ প্ৰধানমন্ত্ৰী ইণ্টাৰ্নশ্বিপ আঁচনি প্ৰস্তুত কৰা হৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰে।

*আৰু*

৪। ১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ আৰু পৰহিলৈ কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব।০০০০

০০০০

ৰাষ্ট্ৰই আজি ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা এই উদযাপনৰ গুৰি ধৰিব। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগে লগে ভাৰতীয় বায়ুসেনাৰ Mi-17 শ্ৰেণীৰ দুখন হেলিকপ্তাৰেৰে উদযাপনস্থলীত পুষ্পবৃষ্টি কৰা হ'ব। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ সময়তে ২১ টা টোপধবনিৰে অভিবাদন জনোৱা হ'ব। পুষ্পবৃষ্টিৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে লালকিল্লা প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। এইবাৰ লালকিল্লাৰ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে বিভিন্ন ক্ষেত্ৰত প্ৰায় পাঁচ হাজাৰ গৰাকী বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে। সেইসকলৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ স্বেচ্ছাসেৱক, প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনৰ মহিলা উদ্যমী, মাই ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী স্বেচ্ছাসেৱক, নগৰীয়া অঞ্চলৰ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নিৰ্বাচিত হিতাধিকাৰী আৰু প্ৰধানমন্ত্ৰী স্বনিধি অধীনৰ পদপথৰ ব্যৱসায়ীসকলৰ লগতে আন কেতবোৰ বিশেষ ক্ষেত্ৰৰ লোকক সামৰি লোৱা হৈছে।

লালকিল্লাৰ স্বাধীনতা দিৱস উদযাপন কাৰ্যসূচীত পোনপ্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় গীত- বন্দে মাতৰম পৰিৱেশন কৰা হ'ব। ইয়াৰ জৰিয়তে বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ লগতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যৰ যাত্ৰা দেশৰ যুৱ শক্তিৰ আশা-আকাংক্ষা, শক্তি তথা গুৰুত্বপূৰ্ণ অৱদানক উদযাপন কৰা হ'ব। এই উদযাপনত দেশৰ তিনিওটা সেনাবাহিনীৰ আঢ়ৈ হাজাৰ কেডেটৰ লগতে মাই ভাৰত স্বেচ্ছাসেৱক সকলে অংশগ্ৰহণ কৰিব। স্বাধীনতা দিৱস উদযাপন কাৰ্যসূচীৰ বাবে দিল্লী আৰক্ষীয়ে প্ৰয়োজনীয় সকলোধৰণৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত কয় যে ১৯৪৭ চনৰ ১৫ আগষ্টত দেশ

পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত হৈছিল। দেশৰ সকলো নাগৰিক বিশেষকৈ শিক্ষাৰ্থী আৰু শিক্ষক, বিজ্ঞানী আৰু অভিযন্তা, চিকিৎসক আৰু স্বাস্থ্যকৰ্মী, শ্ৰমিক আৰু কৃষক সকলোৱে নিজ নিজ প্ৰয়াসেৰে ৰাষ্ট্ৰ নিৰ্মাণত জড়িত হৈ আছে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

(বাইট ঃ শ্ৰীমতী মুৰ্মু)

তেওঁ কয়, যে ২০৪৭ চনত ভাৰতে স্বাধীনতাৰ শতবৰ্ষ উদযাপন কৰিব। সেয়েহে বিকশিত ভাৰত নিৰ্মাণৰ লক্ষ্যৰে দেশে লাভ কৰা বিকাশৰ জৰিয়তে প্ৰতিগৰাকী লোক যাতে উপকৃত হব পাৰে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সংকল্প গ্ৰহণ কৰিছে। নিজৰ সমৃদ্ধ ঐতিহ্য আৰু স্বাধীনতা সংগ্ৰামৰ আদৰ্শক সৰোগত কৰি দেশ আধুনিকতা আৰু বিকাশৰ পথত অগ্ৰসৰ হ'ব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। **ৱয়ং ৰাষ্ট্ৰে জাগৃয়াম** - বেদবাক্যই আমাক ৰাষ্ট্ৰৰ বাবে সদা সতৰ্ক হৈ থকাৰ প্ৰেৰণা দি আহিছে বুলিও তেওঁ উল্লেখ কৰে। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত দেশবাসী স্বাধীনতা সংগ্ৰামত জপিয়াই পৰাৰ লগতে স্বাধীন ভাৰতৰ বাবে বাবা চাহেব ড০ ভীমৰাও আম্বেদকাৰে সামাজিক উন্নয়ন তথা ৰাষ্ট্ৰ নিষ্ঠাৰ উচ্চ আদৰ্শ প্ৰস্তুত কৰে। ভাৰত মাতৃৰ এই সকল মহান সন্তানক ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰণিপাত জনোৱাৰ লগতে তেওঁলোকৰ আদৰ্শৰে দেশে স্বাধীনতা লাভ কৰে তথা দেশ প্ৰগতিৰ পথত আগবাঢ়ি যোৱাৰ কথাও ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। ইপিনে, কালি অৰ্থাৎ ১৪ আগষ্টৰ দিনটো বিভাজন বিভিষিকা দিৱস হিচাপে পালন কৰাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশ বিভাজনৰ সেই সময়ত সংঘটিত হিংসাত্মক ঘটনাত নিহত আৰু স্থানান্তৰৰ যন্ত্ৰনা সহিবলৈ বাধ্য হোৱা সকলোকে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সংবিধানত উল্লেখ থকা কাৰ্যপালিকা, বিধায়িনী তথা ন্যায়পালিকাৰ কৰ্তব্য আৰু দায়িত্বৰ কথা সোঁৱৰণ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশৰ প্ৰতিগৰাকী নাগৰিকক সমতাৰ ভিত্তিত সন্মান তথা মৰ্যাদাসহ ন্যায় দিব পাৰিব লাগিব। শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেল, মহাত্মা জুতিকা ফুলে, সাবিত্ৰী বাই ফুলে আদি মহান লোকসকলৰ অৱদানক শ্ৰদ্ধাৰে উল্লেখ কৰে। শেহতীয়া কমনৱেল্‌থ ক্ৰীড়া প্ৰতিযোগিতাত ভাৰতৰ উল্লেখনীয় সফলতাৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহিলাসকলক আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে চৰকাৰৰ প্ৰয়াসৰ কথাও ভাষণত উল্লেখ কৰে।

০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে প্ৰধানমন্ত্ৰী ইন্টাৰ্ণশ্বিপ আঁচনিখন উদ্যোগসমূহৰ প্ৰয়োজনীয়তা আৰু চাকৰিৰ বাবে আবেদন কৰা প্ৰাৰ্থীৰ দক্ষতাৰ মাজত থকা ব্যৱধান দূৰ কৰাত সহায়ক হোৱাকৈ প্ৰস্তুত কৰা হৈছে। ইন্টাৰ্ণসকলৰ সৈতে মত বিনিময় কৰি, নতুন দিল্লীত শ্ৰীমতী সীতাৰমণে কয় যে উদ্যোগৰ বিষয়াসকলৰ লগতে স্নাতক আৰু আই টি আই পাঠ্যক্ৰম সম্পূৰ্ণ কৰা শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময়ৰ পিছত এই আঁচনিখনৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়ে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী ইণ্টাৰ্নশ্বিপ আঁচনি চমুকৈ পিএমআইএছৰ অধীনত ১৮ ৰ পৰা২৫ বছৰ বয়সৰ যোগ্য যুৱক-যুৱতীসকলে ইন্টাৰ্ণশ্বিপৰ সুবিধা লাভ কৰাৰ লগতে প্ৰতিমাহে নূন্যতম ৯ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰে। এই আঁচনিৰ পাইলট পৰ্যায়ৰ তৃতীয় ৰাউণ্ডৰ কাম চলি আছে।

মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিখনে যুৱক-যুৱতীসকলক হাতে কামে উদ্যোগৰ অভিজ্ঞতা প্ৰদান কৰি এই ব্যৱধান দূৰ কৰাত সহায় কৰিছে। এই আঁচনিৰ জৰিয়তে যুৱক-যুৱতীসকলে নিজৰ আগ্ৰহৰ ক্ষেত্ৰখনতত ইন্টাৰ্ণশ্বিপৰ সুযোগ লাভ কৰাৰ লগতে প্ৰাৰ্থীসকলে নিজৰ অৰ্হতাৰ বাহিৰেও অতিৰিক্ত দক্ষতা লাভ কৰিবলৈ সযৰ্থ হ'ব বুলিও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

জলশক্তি মন্ত্ৰ্যালয়ে কৈছে যে কেন-বেটৱা সংযোগী প্ৰকল্পৰ দ্বাৰা প্ৰভাৱিত পৰিয়ালসমূহক ক্ষতিপূৰণ অথবা পুনৰ সংস্থাপনৰ কোনো ধৰণৰ ব্যৱস্থা কৰা হোৱা নাই বুলি উত্থাপিত অভিযোগসমূহ সম্পূৰ্ণ অসত্য আৰু বিভ্ৰান্তিকৰ। এখন বিজ্ঞপ্তি যোগে মন্ত্ৰ্যালয়ে কৈছে যে, অধিকাংশ যোগ্য পৰিয়ালে ইতিমধ্যে সম্পূৰ্ণ ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ সুবিধা লাভ কৰিছে আৰু মাত্ৰ কেইটামান পৰিয়ালৰ ক্ষেত্ৰতহে কিছু আনুস্থানিকতা বাকী আছে। প্ৰভাৱিত পৰিয়ালসমূহৰ বাবে নিকা-ন্যায্য, সময় নিৰ্ধাৰিত ক্ষতিপূৰণ প্ৰদানৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপন সুনিশ্চিত কৰিবলৈ কেন্দ্ৰৰ লগতে মধ্যপ্ৰদেশ চৰকাৰ আৰু কেন-বেটৱা সংযোগী প্ৰকল্প কৰ্তৃপক্ষ সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্ত্ৰ্যালয়ে স্পষ্ট কৰি দিছে।
উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় দৃষ্টিভংগী পৰিকল্পনাৰ অধীনৰ কেন-বেটৱা সংযোগী প্ৰকল্প হৈছে দেশৰ প্ৰথমটো গুৰুত্বপূৰ্ণ নদী সংযোগ প্ৰকল্প আৰু ইয়াৰ উদ্দেশ্য হৈছে কেন নদীৰ অতিৰিক্ত পানীভাগ বেটৱা নদীলৈ বোৱাই নিয়া। যাতে উত্তৰ প্ৰদেশৰ আৰু মধ্যপ্ৰদেশৰ বুলেন্দখণ্ড অঞ্চললৈ জলসিঞ্চন, খোৱাপানী যোগান আৰু জলবিদ্যুৎৰ সুবিধা প্ৰদান কৰিব পৰা যায়। এই প্ৰকল্পই ১০ দশমিক ৬-২ লাখ হেক্টৰ ভূমিৰ প্ৰায় ৬২ লাখ লোকৰ বাবে খোৱাপানীৰ সুবিধা প্ৰদান কৰাৰ লগতে ১০৩ মেগৱাট বিদ্যুৎ উৎপাদন সুনিশ্চিত কৰিব। ৪৪ হাজাৰ ৬০৪ কোটিতকৈও অধিক টকা ব্যয় সাপেক্ষ এই প্ৰকল্পটোৰ বাবে চলিত বৰ্ষৰ জুলাই পৰ্যন্ত প্ৰায় ১২ হাজাৰ ৪৪৫ কোটি টকা ব্যয় কৰা হৈছে।

০০০০

জম্মু-কাশ্মীৰ আৰু লাডাখ ভাৰতৰ অভিন্ন আৰু অবিচ্ছেদ্য অংগ। কালি ৰাষ্ট্ৰীয় ৰাজধানীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে, আন্তঃৰাষ্ট্ৰীয় সমাজক চিন্তিত কৰিবলগীয়া বিষয়সমূহ হ'ল বৰ্তমান পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত সংঘটিত হোৱা অত্যাচাৰ আৰু সীমা অতিক্ৰমী চলোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপ।

শক্তি সংকটৰ মাজত বাংলাদেশে ভাৰতৰ পৰা অতিৰিক্ত ডিজেল যোগানৰ বাবে অনুৰোধ জনোৱাৰ সন্দৰ্ভত জয়ছৱালে কয় যে, ভাৰতৰ ডিজেল যোগানৰ বাবে বাংলাদেশৰ সৈতে আলোচনা চলি আছে। তেওঁ লগতে কয় যে ভাৰতৰ নিজা প্ৰয়োজনীয়তা, শোধন ক্ষমতা, লগতে দেশত ডিজেলৰ উপলব্ধতাৰ কথা মনত ৰাখি ডিজেলৰ বাবে অতিৰিক্ত অনুৰোধ বিবেচনা কৰিব।

০০০০

UGC-NET, CSIR-NET and ICAR AIEEA (PG) and AICE (PhD) ২০২৬ৰ শুদ্ধ উত্তৰ তালিকা কাইলৈ প্ৰকাশ কৰা হ'ব বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা- NTAই ঘোষণা কৰিছে। পৰীক্ষা আৰু শুদ্ধ উত্তৰৰ তালিকা সংক্ৰান্তীয় বিষয় সন্দৰ্ভত সংস্থাৰ চৰকাৰী তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰিবলৈ সংস্থাই প্ৰাৰ্থীসকলক পৰামৰ্শ দিছে।

০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ আৰু পৰহিলৈ কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব। কাইলৈ দিনৰ ৪ বজাত ৰাছীৰ বিৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত এছ চি দিল্লীয়ে মণিপুৰৰ এফ চি ৰেংদাইৰ বিৰুদ্ধে খেলিব। নিশা ৭ বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াঙ্গনত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আই এছ এলৰ ছেম্পিয়ন ইষ্ট বেংগল এফ চি য়ে ভাৰতীয় সেনাৰ ফুটবল দলৰ বিৰুদ্ধে খেলিব। আনহাতে পৰহিলৈ হ'বলগীয়া এখন খেলত মোহন বাগান জামছেদপুৰ এফ চিৰ মুখামুখি হোৱাৰ লগতে সেইদিনা নিশা ৭ বজাত শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।০

০০০০

ঃঃ সমাপ্ত ঃঃ